Total No. of Printed Pages—7

**HS/XII/A/a/20**

**2020**

## ASSAMESE ( ELECTIVE )

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

### ( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ, উত্তৰ-বহীত লিখা (**দুটা** বা **তিনিটা** শব্দৰে): ১×১০=১০

(ক) উপন্যাস সম্ৰাট হিচাপে কাক জনা যায়?

(খ) ‘নামঘোষা’ক আৰু কি নামেৰে জনা যায়?

(গ) ভীমৰ আন এটা নাম কি?

(ঘ) 'ৰুবায়ত'ৰ ৰচক কোন?

(ঙ) খটাসুৰক কোনে বৰ প্ৰদান কৰিছিল?

(চ) গী দ মোপাছাঁ কোন দেশৰ সাহিত্যিক?

(ছ) ভট্টদেৱৰ সম্পূৰ্ণ নামটো লিখা।

(জ) 'মগৰীবৰ আজান' কোন শ্ৰেণীৰ নাটক?

(ঝ) 'বনকুৱঁৰী' কবিতাটোৰ কবিগৰাকীৰ নামটো লিখা।

(ঞ) টলষ্টয় কোন দেশৰ সাহিত্যিক?

২। তলৰ খালী ঠাইসমূহ সঠিক শব্দৰে পূৰণ কৰি উত্তৰ-বহীত লিখা: ১×৫=৫

(ক) চাৰিটা শ্লোকৰ যিটো অৰ্থক কহয়।
সেইজন জানিবাহা ——— তনয়॥

(খ) সৰস্বতীৰ কৃপা হ'লেও লক্ষ্মীদেৱীৰ ——— দৃষ্টিত অসমীয়াৰ সাহিত্যিক জীৱন লৈ লৈ থৈ থৈ।

(গ) তিৰোতাৰ কথা ——— জানে।

(ঘ) নিবাক নোৱাৰো দোলাভাৰী গুৰুতৰ।
সকলো ব্ৰাহ্মণে বোলে হোৱা ——— ॥

(ঙ) ঋণং ——— ঘৃতং পিৱেৎ।

৩। কেৱল শুদ্ধ উত্তৰটো উত্তৰ-বহীত লিখা : ১×৫=৫

(ক) যাজ্ঞসেনী বুলি জনা যায়

(সীতাক/দ্ৰৌপদীক/কুন্তীক)

(খ) 'অৰুণোদয়' কাকতৰ প্ৰথম সম্পাদক

(ও. টি. কটৰ/হেমচন্দ্ৰ গোস্বামী/নলিনীবালা দেৱী)

(গ) জোনাকী কাকতখন পোনপ্ৰথমে প্ৰকাশ পায়

(শিৱসাগৰত/কলিকতাত/তেজপুৰত)

(ঘ) বধকাব্যসমূহৰ ৰচক হ'ল

(আনন্দচন্দ্ৰ আগৰৱালা/ভট্টদেৱ/শঙ্কৰদেৱ)

(ঙ) হাচান বেন চাৰ্ব্বা আছিল

(সাহিত্যিক/ৰাজনীতিবিদ/চিত্ৰশিল্পী)

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা **(পাঁচ-ছয় শাৰীত):** ৩×১০=৩০

(ক) 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'খন ক'ত, কেতিয়া আৰু কিয় জন্ম দিয়া হৈছিল? ১+১+১=৩

(খ) অসমীয়া ভাষা-সাহিত্যলৈ মাইলচ্ ব্ৰন্সনৰ অৱদানৰ বিষয়ে চমুকৈ লিখা। ৩

(গ) “নামিবৰ চিহ্ন তাত দেখে ভীমসেন।
উঠিবাৰ চিহ্ন নেদেখয় কোন স্থান॥”

উক্ত কথাখিনিৰ কাহিনীভাগ চমুকৈ বৰ্ণনা কৰা। ৩

(ঘ) “ডাঙৰ জাতীয়তা অবিহনে ডাঙৰ সাহিত্য সম্ভৱ নহয়”—ব্যাখ্যা কৰা। ৩

(ঙ) “কৰিম! কৰিম! আহিছ ভাই, দুৱাৰ বন্ধ কৰি থৈছে, ওলাব নোৱাৰো।” ইয়াত কোনে, কাৰ ঘৰৰ দুৱাৰ বন্ধ কৰাৰ কথা কৈছে, বুজাই লিখা। ১+২=৩

(চ) “ক্ৰোধে উৰু-শিৰ কম্পে বিবৰ্ণ বদন।
অসুৰ বধিতে দেৱীৰ ভৈলা মন॥”

কথাখিনিৰ সৈতে জড়িত কাহিনীভাগ চমুকৈ লিখা। ৩

(ছ) উপন্যাস আৰু চুটিগল্পৰ দুটা পাৰ্থক্য লিখা। $১\frac{১}{২}+১\frac{১}{২}=৩$

(জ) অংকীয়া নাট কোনে আৰু কি উদ্দেশ্যেৰে পোনপ্ৰথমে ৰচনা কৰিছিল? ১+২=৩

(ঝ) ‘মগৰীবৰ আজান’ নাটকৰ নাৰী চৰিত্ৰকেইটাৰ নাম একাদিক্ৰমে লিখা। ৩

(ঞ) শ্ৰী শ্ৰী মাধৱদেৱে ৰচনা কৰা অংকীয়া নাটসমূহক কি নামেৰে জনা যায়? তেখেতে ৰচনা কৰা নাটকৰ সংখ্যা কিমান আৰু কি কি? ১+১+১=৩

(ট) জোনাকী যুগৰ ত্ৰিমূৰ্তিকেইজনৰ নাম লিখা। ১+১+১=৩

(ঠ) 'ভক্তি ৰত্নাৱলী'ৰ ৰচকৰ নাম উল্লেখ কৰি ইয়াত কি ভাবৰ সমাৱেশ ঘটিছে, লিখা। ১+২=৩

(ড) 'কামিনীকান্ত'ৰ লেখকৰ নাম কি? ইয়াৰ বিষয়বস্তু কি? ১+২=৩

(ঢ) গাঁৱলীয়া মেলত ভেদেউ আৰু দেউৰীক কি শাস্তি প্ৰদান কৰিলে? ৩

(ণ) সাহিত্যক কিয় শ্ৰেষ্ঠ আৰ্ট বা কলা বোলা হয়? ৩

## ( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) বৰগীতসমূহ কোনে ৰচনা কৰিছিল? এই গীতসমূহৰ জৰিয়তে কিদৰে ভক্তিৰস প্ৰকাশ কৰা হৈছে সেই বিষয়ে এটি আলোচনা যুগুত কৰা। ২+৮=১০

(খ) ওমৰ খায়াম আস্তিক আছিল নে নাস্তিক আছিল? মানুহৰ জীৱনদৰ্শন সম্পৰ্কে ওমৰৰ ধাৰণা কেনেকুৱা আছিল, পাঠ্যপুথিৰ আধাৰত এখন ৰচনা লিখা। ২+৮=১০

(গ) অসমীয়া সাহিত্য সৃষ্টিত সাধনাৰ অভাৱৰ বিষয়ে লেখকে 'সাহিত্যত সাধনা, আৰ্ট আৰু ৰুচি' প্ৰবন্ধত কি কি কাৰণ দৰ্শাইছে, বহলাই লিখা।১০

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) বধকাব্যসমূহ কোনে ৰচনা কৰিছিল? এইসমূহ কোন যুগৰ ৰচনা? বধকাব্যসমূহ ৰচনা কৰাৰ মূল উদ্দেশ্য কি আছিল? ইয়াৰ বৈশিষ্ট্যসমূহ কি কি? ১+১+৩+৫=১০

(খ) 'খটাসুৰ বধ'ৰ উপকাহিনীটো লিখা। ১০

(গ) খটাসুৰৰ লগত পাণ্ডৱসকলে কৰা যুদ্ধৰ এটি বিৱৰণ দিয়া। ১০

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) সামাজিক নাটক কাক বোলে? সামাজিক নাটকৰ বৈশিষ্ট্যসমূহ লিখি 'মগৰীবৰ আজান' নাটকক সামাজিক নাটকৰূপে প্ৰতিষ্ঠিত কৰা। ৩+৩+৪=১০

(খ) 'মগৰীবৰ আজান' নাটকৰ শেষৰ দৃশ্যত অংকন কৰা কৰিমৰ মৃত্যু দৃশ্যটি বৰ্ণনা কৰা। ১০

(গ) 'মগৰীবৰ আজান' নাটকত বৰ্ণিত গাঁৱলীয়া পঢ়াশালিখনৰ এটি বৰ্ণনা দিয়া। ১০

৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) 'অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান' শীৰ্ষক এখনি ৰচনা লিখা। ১০

(খ) 'মহাপুৰুষ শ্ৰী শ্ৰী শংকৰদেৱৰ অসমীয়া সাহিত্যলৈ অৱদান' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা। ১০

(গ) ভট্টদেৱক কিয় অসমীয়া গদ্য-সাহিত্যৰ জনক বুলি কোৱা হয়? তোমাৰ যুক্তিৰ আধাৰত তেওঁৰ সাহিত্যকৃতিৰ এটি চমু মূল্যায়ন আগবঢ়োৱা। ৫+৫=১০

৯। তলৰ যি কোনো **চাৰিটাৰ** বিষয়ে চমু টোকা লিখা : $২\frac{১}{২}\times৪=১০$

হেমচন্দ্ৰ গোস্বামী; হেমাই পণ্ডিত; বিজুলী কাকত; কীৰ্তন পুথি; যতীন্দ্ৰনাথ দুৱৰা; গুণমালা; ভেদেউ; নিহাৰ।

★ ★ ★